## পাঠ - ৭

# জীৱ আৰু পৰিৱেশ

পৰিৱেশ বুলিলে আমাৰ চাৰিওফালে থকা বায়ু, পানী, মাটি, উদ্ভিদ আৰু প্ৰাণী সকলোকে বুজায়। এইবোৰ নোহোৱাকৈ আমি জীয়াই থাকিব নোবাৰোঁ।



উদ্ভিদবোৰে নিজৰ আহাৰ নিজে তৈয়াৰ কৰিব পাৰে। গতিকে খাদ্যৰ বাবে এইবোৰে আনৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। প্ৰাণীবোৰে খাদ্যৰ বাবে উদ্ভিদৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। উদাহৰণস্বৰূপে, তোমাৰ বিদ্যালয়ৰ চৌহদত থকা ঘাঁহনিডৰালৈ ভালদৰে লক্ষ্য কৰিলে দেখিবা যে সৰু সৰু ঘাঁহবোৰক কীট-পতংগ আৰু ফৰিঙে খায়। ফৰিঙক ভেকুলীয়ে খায়, ভেকুলীক



কোনে খায় বাৰু? ভেকুলীক সাপে খায়। সাপক চিলনীয়ে খায়। ঠিক তেনেদৰে ধান, চাউল আদিক নিগনিয়ে খায়, নিগনিক আকৌ মেকুৰীয়ে খায়।

তলৰ ছবিকেইখন চাই কোনে কাক খায় লিখা-







ওপৰৰ কথাখিনিৰ পৰা বুজি পালা যে সেউজীয়া উদ্ভিদক তৃণভোজী প্ৰাণীয়ে খায় আৰু তৃণভোজী প্ৰাণীক মাংসভোজী প্ৰাণীয়ে খায়। এইদৰে খাদ্যৰ বাবে এটা প্ৰাণীয়ে আন এটা প্ৰাণীৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থাকে। খাদ্যৰ বাবে এটাই আনটোৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থকা প্ৰক্ৰিয়াকেই **খাদ্য শৃংখল** বুলি কোৱা হয়।

**চিন্তা কৰি লিখা-**

- হৰিণা, জিৰাফ, হাতী আদি প্ৰাণীক আমি কিয় তৃণভূমিত দেখা পাওঁ?
- তৃণভোজী প্ৰাণীবোৰ আমাৰ পৰিৱেশৰ পৰা নোহোৱা হ'লে কি হ'ব?

**খাদ্য শৃংখলত আহাৰৰ বাবে এটা জীৱ আন এটা জীৱৰ ওপৰত নিৰ্ভৰশীল।**

কোনো এখন ঠাইত তৃণভোজী প্ৰাণীৰ সংখ্যা বাঢ়ি গ'লে গছ-গছনিৰ সংখ্যা কমি যাব। ইয়াৰ ফলত তৃণভোজী প্ৰাণীয়ে খাদ্য নাপাব। কিন্তু সেই ঠাইত মাংসভোজী প্ৰাণীয়ে তৃণভোজী প্ৰাণীক খোৱাৰ ফলত গছ-গছনিৰ সংখ্যা কমি যোৱাৰ সম্ভাৱনা নাথাকে। এনেদৰে প্ৰাণীবোৰে ইটোৱে সিটোক খাই পৰিৱেশৰ সমতা ৰক্ষা কৰে। তলৰ ছবিখন চাই দলত আলোচনা কৰি লিখা-



- সাপৰ সংখ্যা কমি গ'লে কি হ'ব বাৰু?
- এন্দুৰৰ সংখ্যা বাঢ়ি গ'লে কি হ'ব?





➤ ওপৰৰ ছবিকেইখনত কি দেখিছা তলৰ খালী ঠাইত লিখা-



..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

মানুহে খাদ্য আৰু বিভিন্ন কামৰ বাবে প্ৰাণীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। মানুহে খাদ্যৰ বাবে কি কি প্ৰাণীৰ ওপৰত নিৰ্ভৰ কৰে বাৰু? তলৰ খালী ঠাইবোৰ নিজেই চিন্তা কৰি লিখা-








আমি গৰু, ম'হ, ছাগলীৰ পৰা গাখীৰ পাওঁ। হাঁহ, মুৰ্গীৰ পৰা কণী পাওঁ। ছাগলী, মুৰ্গী, হাঁহ পাৰৰ মাংস আৰু মাছো খাওঁ। তোমালোকে খাই ভাল পোৱা মাখন, পনীৰ, মিঠাই, দৈ আদি গাখীৰৰ পৰাই তৈয়াৰ কৰা হয়।

আগৰ দিনত গাড়ী, মটৰৰ সংখ্যা একেবাৰে কম আছিল। তেতিয়া মানুহে এঠাইৰ পৰা আনঠাইলৈ অহা-যোৱা কৰিবলৈ আৰু বস্তু কঢ়িয়াবলৈ গৰু আৰু ঘোঁৰাই টনা গাড়ী ব্যৱহাৰ কৰিছিল। হাতীয়ে হাবিত ডাঙৰ আৰু গধুৰ কাঠ কঢ়িয়াইছিল।





ৰাতি ঘৰ পহৰা দিবৰ বাবে আমি কুকুৰ পোহোঁ। ঘৰত নিগনি কমাবৰ বাবে মেকুৰী পোহা দেখা যায়। এনেদৰে বিভিন্ন কামৰ বাবে মানুহে যিবোৰ প্ৰাণীৰ পৰা সহায় পায় সেইবোৰক আদৰ যত্ন কৰি ঘৰত পোহনীয়া প্ৰাণী হিচাপে ৰাখে। কথা ক'ব পৰা চৰাই যেনে- ভাটৌ, মইনা, চুটীয়া শালিকা এইবোৰকো মানুহে পোহে।

- মানুহে পুখুৰীত কিয় মাছ পোহে নিজে ভাবি লিখা-

পোহনীয়া প্ৰাণীবোৰে আহাৰ আৰু সুৰক্ষাৰ বাবে মানুহৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে আমি সিহঁতক মৰম কৰিব আৰু যত্ন ল'ব লাগে।

**পোহনীয়া প্ৰাণীবোৰক কেনেদৰে যত্ন ল'ব লাগে জানি লওঁ আহা-**

- প্ৰাণীবোৰক জিৰণি ল'বৰ বাবে ঘৰ সাজি দিব লাগে।
- প্ৰাণীবোৰক চাফ্-চিকুণকৈ ৰাখিব লাগে।
- সময়মতে আহাৰ খাবলৈ দিব লাগে।
- বেমাৰ হ'লে পশু চিকিৎসালয়লৈ নিব লাগে।
- বিভিন্ন বেমাৰৰ পৰা ৰক্ষা পাবৰ বাবে সময়মতে প্ৰতিষেধক বেজী দিব লাগে।



**পোহনীয়া প্ৰাণীবোৰে মানুহৰ পৰা আদৰ যত্ন পাই সুৰক্ষিত অনুভৱ কৰে।**

- কি কৰিবা ভাবি চাই কোৱা-
  - চৰাইৰ বাহৰ পৰা পোৱালী এটা পৰি যোৱা দেখিলে মৰম কৰি ঘৰলৈ আনিম/বাহতআকৌ তুলি দিম/পৰি থাকিবলৈ দিম।
  - অসহায় কুকুৰ পোৱালী এটাই চিঞৰি থকা দেখিলে খেদি দিম/ঘৰলৈ আনি পুহিম/ চিঞৰি থাকিবলৈ দিম।
  - গৰুৱে বাৰীৰ গছ এজোপা খাই থকা দেখিলে খাবলৈ দিম/খেদি দিম/জেওৰা দিয়াৰ ব্যৱস্থা কৰিম।

**জানি লওঁ আহা-**

- চিলনী, শগুণ আদিয়ে গেলা-পচা বস্তু আৰু মৰা শ খাই পৰিৱেশ পৰিষ্কাৰ কৰি ৰাখে।
- কাউৰীয়ে জাবৰ-জোঁথৰৰ পৰা গেলা-পচা বস্তু খাই পৰিৱেশ চাফা কৰি ৰাখে।





## অনুশীলনী

১। উত্তৰ লিখা-

(ক) কিহৰ বাবে এটা জীৱই আন এটা জীৱৰ ওপৰত নিৰ্ভৰ কৰে?

(খ) পোহনীয়া প্ৰাণীবোৰক আমি কিয় যত্ন ল'ব লাগে?

(গ) কোন কোন প্ৰাণীৰ পৰা কি কি খাদ্য পাওঁ।

(ঘ) খাদ্য-শৃংখল বুলিলে কি বুজা?

(ঙ) গাখীৰৰ পৰা তৈয়াৰ কৰা দুবিধ আহাৰৰ নাম।







২। তলত দিয়া নামবোৰৰ পৰা খাদ্যশৃংখল সাজা-



(ক) গৰু, ঘাঁহ, বাঘ

(খ) গছৰ পাত, ভেকুলী, ফৰিং

(গ) শিয়াল, কেঁচু, হাঁহ

(ঘ) সাপ, এন্দুৰ, চিলনী



৩। খালী ঠাই পূৰ কৰা-

(ক) বায়ু, পানী, মাটি, উদ্ভিদ আৰু প্ৰাণীক লৈ আমাৰ __পৰিৱেশ__ গঠিত হৈছে।

(খ) উদ্ভিদে __খাদ্য__ ৰ বাবে আনৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে।

(গ) ফৰিঙে সৰু সৰু __ঘাঁহ__ খায়।

(ঘ) পোহনীয়া প্ৰাণীক আমি __আদৰ__ ল'ব লাগে।

(ঙ) হাতীয়ে হাবিত __কাঠ__ কঢ়িয়ায়।

৪। শুদ্ধ উত্তৰ বাছি উলিওৱা-

(ক) প্ৰাণীয়ে/উদ্ভিদে নিজৰ আহাৰ নিজে তৈয়াৰ কৰে।

(খ) খাদ্যৰ/বাসস্থানৰ বাবে এটা প্ৰাণীয়ে আন এটা প্ৰাণীৰ ওপৰত নিৰ্ভৰ কৰে।

(গ) প্ৰাণীবোৰে পৰিৱেশৰ সমতা/ক্ষমতা ৰক্ষা কৰে।

(ঘ) বেমাৰৰ পৰা ৰক্ষা পাবলৈ পোহনীয়া প্ৰাণীক প্ৰতিষেধক বেজী দিব লাগে/নালাগে।

৫। **'ক'** অংশৰ লগত **'খ'** অংশ মিলাই লিখা-

| **'ক'** | **'খ'** |
|---|---|
| তৃণভোজী প্ৰাণীক | পৰিৱেশৰ সমতা ৰক্ষা কৰে। |
| প্ৰাণীবোৰে | মাংসভোজী প্ৰাণীয়ে খায়। |
| পোহনীয়া প্ৰাণীবোৰে | পৰিৱেশ পৰিষ্কাৰ কৰে। |
| কাউৰী, চিলনীয়ে | আমাক সহায় কৰে। |

